দিনাংক - ৮ ডিচেম্বৰ ২০১৩

**বিধানসভা নিৰ্বাচনৰ ফলাফল - ২০১৪ ৰ লোকসভা নিৰ্বাচনৰ গতিপথ**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

আজি ৪ খন ৰাজ্যতে বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষনা কৰা হৈছে । আমি এই ফলাফলক লৈ যথেষ্ট সন্তুষ্ট । মধ্যপ্ৰদেশ চৰকাৰ বি জে পি ৰ ভাল শাসনৰ বাবে এক উদাহৰণ হৈ ৰ'ব । এই ৰাজ্য প্ৰতিনিধিত্ব কৰা শিবৰাজ সিং চৌহানে এই ৰাজ্যক দূৰ্বল অৱস্থাৰ পৰা সবল অৱস্থালৈ গতি কৰাইছে । ৰাজ্যত পথ সেৱা উন্নত কৰাৰ ওপৰিও বহুতো সামাজিক আচঁনিয়ে সফলতা লাভ কৰা পৰিলক্ষিত হৈছে । আমাৰ দ'লে ৰাজ্যখনৰ ধাৰাবাহিকভাৱে ৩ বাৰ সফলতাপূৰ্বকভাৱে বিধানসভাৰ নিৰ্বাচনত জয়লাভ কৰি আনবোৰ দ'লক ইয়াৰ পৰা বিৰত ৰাখিলে ।

মধ্যপ্ৰদেশৰ যিটো অংশ ভাগ কৰি আনি চত্তীশগড় গঠন কৰা হৈছিল, পৰম্পৰাগতভাৱে বি জে পি সেই অংশত কেতিয়াও শক্তিশালী নাছিল । দ'লে নিজৰ শক্তি বজাই ৰাখিছে আৰু তৃতীয় বাৰৰ ববে চৰকৰ গঠন কৰা অৱস্থাত আছে । চত্তীশগড় আৰু মধ্যপ্ৰদেশ দুয়োখন ৰাজ্যতে যদি ২০১৮ লৈকে আমাৰ চৰকৰে শাসন কৰি থাকে তেন্তে এই দুয়োখন ৰাজ্যতে কংগ্ৰেছ দ'লে সফলতা নেদেখা ২০ বছৰ সম্পূৰ্ণ হ'ব ।

বি জে পি ৰ বাবে ৰাজস্থানৰ সফলতা অতি গুৰুত্বপূৰ্ণ । বসুন্ধৰা ৰাজেৰ নেতৃত্বই যথেষ্ট সমৰ্থন লাভ কৰিছে । ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ কৰাৰ পাছত মই উল্লেখ কৰিছিলো যে মই বি জে পি ৰ প্ৰচাৰত বিদ্যুত শক্তিৰ দ্বৰে প্ৰভাৱ দেখা পাইছিলো । ৰাজস্থানৰ দ্বৰে ডাঙৰ ৰাজ্যত বি জে পি য়ে পোন প্ৰথম বাৰৰ বাবে বৃহৎ সফলতা অৰ্জন কৰিছিলে । আমি ৮২ শতাংশ নিৰ্বাচনী ছিট লাভ কৰিব'লৈ সক্ষম হৈছিলো ।

দিল্লীত যদিও আমি সংখ্যাগৰিষ্ঠ দ'ল আৰু চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত একেবাৰে কাষত, তথাপিও ইয়াৰ ফলাফল আমি আশা কৰাতকৈ নিম্ন । ৫/৬ টা আসন আমি আৰু পাম বুলি আশা কৰিছিলো । প্ৰথমটো নিৰ্বাচনীতে ভাল ফলাফল দেখুৱাৰ বাবে মই আম আদমী পাৰ্টিক শুভকামনা জ্ঞাপন কৰিছো । আম আদমী পাৰ্টিৰ প্ৰচাৰ অভিযানে জনসাধাৰণৰ দৃষ্টি আকৰ্ষন কৰিছিল আৰু তেওঁলোকৰ জনসাধাৰণৰ সৈতে সংযোগ যথেষ্ট ফলদায়ক আছিল । তথাপিও এইয়া চাবলগীয়া

হ’ব যে দীৰ্ঘকালীন সময়ত এনেধৰণৰ ঘৃণাপূৰ্ণ প্ৰচাৰ অভিযানেৰে তেওঁলোকে কিমানদূৰ আগবাঢ়িব । ৪ খন ৰাজ্যৰ নিৰ্বাচনত আমাৰ পাৰ্টিৰ জয়লাভ কৰাৰ বাবে মই দ’লৰ সভাপতি শ্ৰীযুত ৰাজনাথ সিঙক শুভেচ্ছা জ্ঞাপন কৰিছো । উক্ত ৪ খন ৰাজ্যত তীব্ৰ প্ৰচাৰ অভিযান কৰাৰ বাবে শ্ৰীযুত নৰেন্দ্ৰ মোডীক ধন্যবাদ জ্ঞাপন কৰিছো ।

এনে ফলাফলে আগন্তুক লোক সভা নিৰ্বাচনত আমাৰ প্ৰচাৰ আৰু তীব্ৰ কৰাৰ প্ৰেৰণা দিব । এই বাৰ ৭২ খন সংসদীয় আসন নিৰ্বচনত আছিল, ইয়াৰে কিছু আসন বি জে পি য়ে লাভ কৰিছে । ভাল দ্বৰে চালে দেখা যায় যে, বি জে পি য়ে মুঠ ৬৫ খন সংসদীয় আসন লাভ কৰিব পাৰিলেহেতেন। আগন্তুক বিধানসভা নিৰ্বাচন বিশেষকে বি জে পি আৰু কংগ্ৰেছৰ মাজত হ’ব । এনে ফলাফলে ভৱিষ্যতৰ বাবে এক ইংগিত বহন কৰিছে । সামূহিকভাৱে আমি ৪ খন ৰাজ্যত ৭০ শতাংশ আসন দখল কৰিছো, আৰু এইয়া আমাৰ বাবে কম সফলতা নহয় ।